অধ্যায় ২ ঃ গণ সংযোগৰ পৰিচয়

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ গণ সংযোগৰ ধাৰণা
২.৪ গণ সংযোগৰ প্ৰকাৰ
২.৫ গণ সংযোগৰ কাৰ্য
২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৭ অধিক জানিবলৈ
২.৮ অগ্ৰগতিৰ খতিয়ান
২.৯ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গণ সংযোগৰ ধাৰণাটোৰ বিষয়ে জানিব পাৰিব
- গণ সংযোগৰ বিভিন্ন ভাগসমূহ জানিব
- গণ সংযোগৰ কাৰ্যপ্ৰণালীৰ বিষয়ে অৱগত হ'ব।

২.২ পৰিচয়

যোগাযোগৰ অৱস্থিতি মানুহৰ জন্মৰ পৰাই আৰম্ভ হৈছিল, কিন্তু বিংশ শতিকালৈ ইয়াক অধ্যয়ন কৰা হোৱা নাছিল। যোগাযোগৰ ইতিহাসৰ সম্প্ৰসাৰণ কলাৰ মাধ্যমেৰে আৰম্ভ হৈছিল আৰু বৰ্তমান আধুনিক যোগাযোগৰ পদ্ধতি ইণ্টাৰনেটৰ দৰে মাধ্যমেৰে গতি কৰিছে। প্ৰথম বিশ্বযুদ্ধ অন্ত পৰাৰ পিছতে যোগাযোগ বা গণ সংযোগৰ বিষয়ে অধ্যয়নৰ আৰম্ভণি ঘটে। শৃংখলাবদ্ধভাৱে সমাজ বিজ্ঞান অধ্যয়ন দ্বিতীয় বিশ্বযুদ্ধৰ পিছত স্বীকৃতি লাভ কৰে। প্ৰযুক্তিৰ অভাৱনীয় প্ৰগতিয়ে গণ সংযোগ অধ্যয়ন চূড়ান্ত পৰ্যায়লৈ লৈ যায় আৰু এয়া সম্ভৱ হয় কেৱল বিশ্বৰ সভ্যতাৰ বিকাশৰ বাবে। দিনকদিনে অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি পাইছে, তাৰ লগে লগে যোগাযোগৰ পদ্ধতিও সলনি হৈছে। বিশেষভাৱে উদ্যোগিক বিপ্লৱৰ পিছত এক অবূতপূৰ্ণ পৰিৱৰ্তন আহিল বাণিজ্য, ব্যৱসায় আৰু উদ্যোগ খণ্ডলৈ। এই সকলোবোৰৰ সহায়ত গণ সংযোগে সামাজিক, বাণিজ্যিক ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত প্ৰভাৱ পেলায়। এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ অন্তৰ্ভুক্ত তথ্য আৰ্হি আবেগ আৰু দক্ষতাৰ বিনিময়ে আৰু বিভিন্ন চিহ্ন, শব্দস, আচাৰ ব্যৱহাৰ আৰু অনুমানৰ সহায় লোৱা হয়, যাক আমি গণ সংযোগ বুলি আখ্যা দিব পাৰো।

অৱশ্যে গণসংযোগৰ কার্যকলাপো হস্তান্তৰকণ বুলিও ক'ব পাৰি। ব্যৱসায়িক সময়ছোৱাক স্বাধীনত বা বহলভাৱে ব্যৱহৃত ৰূপে গণ্য কৰা হয়। এই সময়ছোৱাক যোগাযোগৰ বয়স বা সীমা বুলি জনায় যায়। গণ সংযোগ অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়া হয় যিবোৰে আচৰণ, ব্যৱহাৰ, ধাৰণা, আবেগৰ দ্বাৰা এজন ব্যক্তিয়ে তথ্য লাভ কৰে অথবা সংযোগ ঘটে। এই অধ্যায়টোত আমি গণ সংযোগৰ ধাৰণাটোৰ বিষয়ে জানিবলৈ পাম।

২.৩ গণ সংযোগৰ ধাৰণা

গণ সংযোগ এনে এটা বিষয়, য'ত এসময়ত বৃহৎ পৰিমাণৰ বা বহু সংখ্যক লোকৰ মাজত গণ মাদ্যমৰ সহায়ত তথ্যৰ আদান-প্রদানৰ বিষয়ে অধ্যয়ন কৰা হয়। যিয়ে বৃহৎ পৰিসৰৰ বা বৃহৎ অঞ্চলৰ লোকৰ মাজত ভাবৰ বিনিময় আৰু বিতৰণ কৰে। গণ সংযোগ এনে এটা পদ্ধতি বা প্রক্রিয়া যিয়ে এজন বা বহু লোকে এটা বার্তাৰ জন্ম দিয়ে আৰু ইয়াক একে ধৰণৰ বা সমসাময়িক বৃহৎ লোক, ৰাজহুৱা স্থান বা বিচিত্র ব্যক্তিৰ মাজত বিয়পাই দিয়ে। ইয়াৰ সাধাৰণ অর্থ এয়ে যে গণসংযোগৰ শ্রোতা বা দর্শকসকল বিভিন্ন আচৰণ, বিচত্র, সংস্কৃতি আৰু আস্থাৰে গঢ়া।

চিড্‌নি হেড (Sydney Head) (১৯৭৬)ৰ মতে পাঁচটা বিষয়ৰ ওপৰত নির্ভৰ কৰে ঃ অপেক্ষাকৃত বৃহৎ সংখ্যক শ্রোতা, স্পষ্টভাৱে অপৃথককৃত শ্রোতা, তথ্যৰ প্রতিলিপিৰ বিভিন্ন ৰূপ, দ্রুত বিতৰণ আৰু যোগান, গ্রাহকৰ বাবে সর্বনিম্ন দৰ। যোগাযোগৰ মাধ্যমসমূহত অন্তর্ভুক্ত দূৰদর্শন বা টিবি সম্প্রচাৰ, ৰেডিঅ', সামাজিক আৰু ছনা মাধ্যম। যোগাযোগৰ অভিজ্ঞতা এক সার্বজনীন ৰূপ। তাৰ অর্থ এয়ে যে গণসংযোগৰ সৈতে যিকোনো এজন লোকে যিকোনো সময়তে কাৰো সহায় অবিহনেও ইয়াৰ অংশ হ'ব পাৰে। মাধ্যমৰ স্বভাৱ বা ৰূপ মধ্যস্থতাকাৰীয়ে নিৰূপন কৰে। উদাহৰণ স্বৰূপে টিভিয়ে বাতৰি তৎক্ষণাৎ বিনিময় বা যোগান ধৰি পাৰে, এক দ্রুত মাধ্যম ৰূপে। বাতৰি কাকতেও একেটা বাতৰি যোগান ধৰে যদিও ইয়াৰ কিছু সীমাবদ্ধতা আছে। গণসংযোগত এনেদৰে বিনিময় প্রক্রিয়াৰ ওপৰত মাধ্যমৰ চৰিত্র নির্ভৰ কৰে। গণসংযোগ হৈছে ছাকনি বা শুদ্ধকৰণ প্রক্রিয়া। এই শুদ্ধিকৰণ বা বাছনিকৰণ প্রক্রিয়াক কোৱা হয় গেট কী পিং। উদাহৰণ হিচাপে এখন বাতৰি কাকত বা টিভিত এটা বাতৰি বিভিন্ন ৰূপত কর্মৰত যেনে সাংবাদিক, উপ-সম্পাদক, বার্তা সম্পাদকে নিৰূপন বা সংগ্রহ কৰে। গণ সংযোগত বর্তমানৰ যোগাযোগ পদ্ধতি হৈছে আটাইতকৈ জটিল, য'ত ছেটেলাইট ডিজিটেল নেটৱর্ক উপগ্রহৰ সহায়ত ডিজিটেল জাল বা সংগঠন), আন্তঃগাঁথনি (মেনেজমেণ্ট ষ্ট্রাকচাৰ), বজাৰ শৃংখল জড়িত থাকে। গণ সংযোগে যিকোনো সময়তে যিকোনো ৰূপ ল'ব পাৰে, যদিহে সমাজৰ চৰিত্র তাৰ কার্যপ্রণালী সলনি হয়। গণ সংযোগৰ অইভজ্ঞতা অস্থায়ী। ইয়াৰ অর্থ হ'ল যে এবাৰ এটা বার্তা)যেনে সংবাদ বা চলচ্চিত্র) ব্যৱহাৰ বা গ্রহণ কৰাৰ পিচত পুনৰ তাক ব্যৱহাৰ নকৰিবও পাৰে। বার্তা বা তথ্যটো এবাৰ ব্যৱহাৰ কৰাৰ অর্থ সেয়া ব্যৱহাৰ হৈ গৈছে। গণ সংযোগ বেছিভাগ ক্ষেত্রতে একনমনীয় যোগাযোগ ৰূপে থকা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গণ সংযোগৰ সংজ্ঞা দিয়ক।

.....

প্রশ্ন নং ২ ঃ গণ সংযোগৰ তিনিটা গুৰুত্বপূর্ণ উপাদান উল্লেখ কৰক।

.....

প্রশ্ন নং ৩ ঃ গেট কীপিং বুলিলে কি বুজা যায়?

.....

২.৪ গণ সংযোগৰ প্রকাৰ

তলত গণসংযোগৰ কেইটামান সাধাৰণ মাধ্যম উল্লেখ কৰা হ'ল—

ছপা মাধ্যম ঃ

জনগোটেনবার্গৰ গতিশীল ধাতৰ পদ্ধতিৰ আৱিস্কাৰে পঞ্চদশ শতিকাত ছপা মাধ্যমৰ বাট মুকলি কৰে। প্রিণ্টিং প্রেছৰ সহায়ত শব্দৰ বহুল বিস্তাৰৰ চলমান গতিৰ সূচনা কৰে। প্রিণ্টিং প্রেছৰ আৱিস্কাৰ পূর্বে গ্রন্থ আছিল ব্যয়বহুল সামগ্রী, মাক কেৱল ৰাজকীয় আৰু আর্থিকভাৱে স্বচ্ছল সকলেহে ব্যৱহাৰ বা ক্রয় কৰিব পাৰিছিল। প্রিণ্টিংৰ ফলত গ্রন্থ প্রকাশৰ খৰচ কমি গ'ল আৰু সাধাৰণ মানুহৰ মাজতো বিয়পি পৰিল। দ্রুতভাৱে বহু পৰিমাণৰ কাকত ছপা কৰিব পৰা সুবিধাৰ বাবে আধুনিক বাতৰি কাকতৰ জন্ম হৈছিল।

তলত ছপা মাধ্যমত অন্তর্ভুক্ত হোৱা কেইটামান মাধ্যমৰ বিষয়ে উল্লেখ কৰা হৈছে—

i. বাতৰি কাকত ঃ বাতৰি কাকত হৈছে সাময়িকভাৱে প্রকাশিত তথ্য পত্র য'ত সমাজৰ শেহতীয়া সংবাদ উপলব্ধ হয়। বাতৰি কাকতেই হৈছে প্রধানভাৱে উপলব্ধ গণমাধ্যমে, যাৰদ্বাৰা সকলো লোকে বাতৰি লাভ কৰে। ১৬৯০ চনত প্রথমবাৰলৈ বেন হেৰিছে বাতৰি কাকত প্রকাশ কৰিছিল। ভাৰতত প্রথমবাৰলৈ বাতৰি কাকত প্রকাশ পায় ১৭৮০চনত, যাক প্রকাশ কৰিছিল জেমছ আগষ্টাছ হিকীয়ে, নাম দিয়া হৈছিল বেংগল গেজেট। ইয়াক হিকীছ গেজেট ৰূপেও জনা গৈছিল। যিকোনো এখন সমাজত পৰম্পৰাগত বাতৰি কাকত সেই সমাজখনৰ সাংস্কৃতিক আৰু সামাজিক ব্যৱস্থাৰ একো একোটা অংশ। সেই লোকসকলে কাকতখনৰ বিষয়ে আলোচনা বা চর্চা কৰে কিয়েনা কাকতখনে তথ্য, শিক্ষা, বিনোদন অথবা সামাজিকীকৰণ বা নতুনত্বৰ সোৱাদ দিয়ে। এখন গণতান্ত্রিক সমাজত সংবাদ মাধ্যৱম হৈছে চতুর্থ স্তম্ভ। মুখ্যতঃ বা সহজ ভাষাত প্রেছ মানেই বাতৰি কাকত। প্রকাশৰ ধৰণ, আকাৰ, সময় আৰু বিষয়বস্তুৰ লগতে পঢ়ুৱৈ আৰু অঞ্চলভেদে বিভিন্ন প্রকাৰৰ বাতৰি কাকত উপলব্ধ।

ii. আলোচনী ঃ আলোচনী সাময়িকভাৱে প্রকাশিত হয় য'ত মুখতঃ বাতৰিৰ বাহিৰৰ বিভিন্ন শিতানসমূহ বাচনি কৰা হয়। এড্রিউ ব্রেডফর্ডৰ আমেৰিকান আলোচনী আৰু বেঞ্জামিন

ফ্রেংকলিনৰ জেনেৰেল মেগাজিনক প্ৰথম আলোচনী ৰূপে গণ্য কৰা হয়। আলোচনীকো সংস্কৃতি আৰু জাতীয়তাবাদ গঠনত সহায় কৰে বুলি গণ্য কৰা হয়। আলোচনীৰ ইংৰাজী প্ৰতিশব্দ মেগাজিন এটা ফৰাচী শব্দ যাৰ অৰ্থ গুদামঘৰ। সংবাদ ক্ষেত্ৰত আলোচনী হৈছে বিভিন্ন প্ৰকাৰৰ যেনে গল্প, বিজ্ঞাপন, কবিতা আৰু অন্যান্য উপকৰণৰ সম্ৰাট, যাক সসম্পাদকজনে বাচনি কৰি পঢ়ুৱৈৰ মাজতৈ বিয়পাই দিয়ে। আলোচনীৰ কেইবাটাও প্ৰকাৰ আছে। পাঁচটা মূল ভাগ— সাধাৰণ বিষয়ৰ আলোচনী, ব্যৱসায়িক আলোচনী, গ্ৰাহকৰ আলোচনী, সাক্ষৰতা বিচাৰ, শৈক্ষিক পুনৰীক্ষণ, সংবাদ আলোচনী আৰু কমিক বুকছ ।

iii. গ্ৰন্থ ঃ গ্ৰন্থ হৈছে সীমাবদ্ধ কিছুমান পৃষ্ঠাৰ সমষ্টি, সেয়া লিখিত বা ছপা কৰা যিকোনো হ'ব পাৰে। প্ৰচাৰৰ ওপৰত নিৰ্ভৰ কৰি এক বিশেষ ৰূপত নিৰ্দিষ্ট পৰিমাণৰ সামগ্ৰী প্ৰস্তুত কৰে। গ্ৰন্থৰ ধাৰণাটো প্ৰথমে চীনত আৰম্ভ হৈছিল আৰু খ্ৰীষ্টপূৰ্ব ৩০০ বছৰৰ পূৰ্বে বেবীলনসকলে আৰম্ভণি কৰিছিল। পেপীৰাছৰ শাসনৰ সময়ত বাঁহৰ পাত বা বাঁহ ব্যৱহাৰ কৰিছিল চীনাসকলে। বেবিলনসকলে কিন্তু তেতিয়াই মাটিৰ পাত্ৰ ব্যৱহাৰ কৰিছিল। ৰোমত জন্তুৰ ছাল ব্যৱহাৰ কৰা হৈছিল কিতাপ প্ৰস্তুতৰ বাবে। গ্ৰন্থ প্ৰকাশৰ পূৰ্বে কাগজ প্ৰকাশৰ কাম আৰম্ভ হৈছিল। গ্ৰন্থক বিষয়বস্তু আৰু নিৰ্ধাৰিত পঢ়ুৱৈৰ ওপৰত ভিত্তি কৰি শ্ৰেণীবিভক্ত কৰিব পাৰি। গ্ৰন্থৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি দুটা ভাগত ভগাব পাৰি— উপন্যাস আৰু কথা সাহিত্য। উপন্যাস বা প্ৰথম শ্ৰেণীত পৰে গল্প, উপন্যাস কবিতা ইত্যাদি। একেদৰে কথা সাহিত্য বা গদ্যত শৈক্ষিক আৰু আনুষংগিক গ্ৰন্থসমূহ অন্তৰ্ভুক্ত কৰিব পাৰি।

- **বৈদ্যুতিন মাধ্যম ঃ**

মাৰ্কনীয়ে ৰেডিঅ' আবিষ্কাৰ কৰাৰ লগে লগে বৈদ্যুতিক মাধ্যমৰ ইতিহাস আৰম্ভ হয়। ১৯২০ৰ সময়চোৱাত আমেৰিকাৰ নিউয়ৰ্ক চিকাগো আৰু পিটছবুৰ্গত প্ৰথম আকাশবাণী কেন্দ্ৰ স্থাপন কৰা হৈছিল। আমেৰিকাৰ পিছতে ইউৰোপিয়ান দেশসমূহেও অনাতাৰ কেন্দ্ৰ স্থাপন কৰি বাতৰি আৰু বিনোদন প্ৰচাৰ আৰম্ভ কৰে। ঔপনিবেশিক শক্তি ব্ৰিটেইন আৰু ফ্ৰান্সে এছিয়া আৰু আফ্ৰিকাৰ দেশসমূহত অনাতাঁৰ কেন্দ্ৰ স্থাপন কৰিছিল, এয়া আছিল বিংশ শতিকাৰ প্ৰথমভাগৰ কথা। বৈদ্যুতিক ভাবাবেগৰ দ্বিতীয় পৰ্যায় আছিল চলচ্চিত্ৰ আৱিষ্কাৰ। চলচ্চিত্ৰৰ পিছতে টিভি বা দূৰদৰ্শনৰ সম্প্ৰচাৰ আমেৰিকাত আৰম্ভ হৈছিল, সেয়া ১৯২০ চনত পৰীক্ষামূলকভাৱে আৰম্ভ হৈছিল। কিন্তু টিভিৰ ব্যাপক প্ৰফাৰ ১৯৫০ৰ পৰা আৰম্ভ হয়। সমান্তৰালভাৱে ৰেকৰ্ডিং বা বাণীবদ্ধৰ সুবিধাও ব্যাপকভাৱে বৃদ্ধি পালে পশ্চিমীয়া দেশত। সংক্ষিপ্তভাৱে বৈদ্যুতিক মাধ্যমত মূলতঃ অন্তৰ্ভূক্ত ঃ

i. ৰেডিঅ' ঃ ৰেডিঅ' তৰংগৰ দ্বাৰা পৰিচালিত এক বিশেষ আধুনিক প্ৰযুক্তি ৰেডিঅ' যোগাযোগ, ৰাডাৰ, নেভীগেচন ৰিম'ট কণ্ট্ৰল আৰু ৰিম'ট ছেনিছঙত ব্যৱহৃত হয়।

ii. চলচ্চিত্ৰ ঃ চলচ্চিত্ৰ শব্দ আৰু চলমান ছবিৰ মাধ্যমেৰে ভিজুৱেল সংযোগ। এইসমূহক ফিল্ম বা চিনেমা বুলি জনায় আৰু বিনোদৰ এটা অন্যতম অংশ।

iii. টিভি ঃ গতিসম্পন্ন ছবি বা ছবিৰ সমষ্টিক বিভিন্ন ৰূপত প্ৰকাশ কৰা মাধ্যমেই টিভি

বা টেলিভিছন।

- **নিউ মিডিয়া ঃ**

নিউ মিডিয়া বা নব্য মাধ্যমত আমি অন্তর্ভুক্ত কৰিব পাৰো ইণ্টাৰনেট, ব্লগছ, ভাৰ্চুৱেল পৃথিৱী, ছ'চিয়লে নেটৱর্ক,, বার্তালাপ আৰু কম্পিউটাৰৰে জড়িত সকলো অনলাই যোগাযোগ ব্যৱস্থা। নিউ মিডিয়াই যিকোনো এজনক ইয়াক সসৃষ্টি বা প্রস্তুত সহজলভ্য কৰি তুলিছে, তাৰোপৰি পৰিৱর্তন আৰু ন ৰূপ দি ভাগ বতৰা কৰিব পাৰি, যিসমূহ অত্যন্ত ব্যয়বহুল নহয়। ইয়াৰ বাবে কেৱল প্রয়োজন এটা মোবাইল অথবা কম্পিউটাৰত ইণ্টাৰনেট সংযোগ।

- **নিউ মিডিয়াৰ সহায়ত ঃ**

(i) তথ্য আৰু সেৱাৰ মাজেৰে গণসংযোগ কৰিব পৰা যায়।

(ii) অন্য লোকৰ সৈতে সহাৱস্থান কৰাত সহজ হয় — যিসমূহ একে সমাজ আৰু সম্প্রদায় বা সংস্থাত অন্তর্ভুক্ত।

(iii) নতুন বস্তু প্রস্তুত, সেৱা, সংযোগ আৰু চেনেলৰ সহায়ত বার্তা প্রেৰণ অথবা যোগান ধৰাত সহায় কৰে। অনলাইন আৰু ডিজিটেল মানে প্রস্তুত কৰা, প্রেৰণ আৰু গহণ কৰা, এই সমগ্র ব্যৱস্থাটোক নিউ মিডিয়া বুলি কোৱা হয়। এই কম্পিউটাৰ সহায়ক গঢ়ি উঠা আদুনিক প্রযুক্তি। এয়া ডেস্কটপ অথবা সহজে কঢ়িয়াই লৈ ফুৰিব পৰা ৱায়াৰলেছ কম্পিউটাৰ হ'ব পাৰে। কম্পিউটাৰ ব্যৱহৃত প্রতিটো প্রতিষ্ঠানে নিউ মিডিয়া ব্যৱহাৰ কৰে। ডিজিটেল বিশ্বত যোগাযোগৰ আহিলাসমূহ ঃ চি ডি-ৰুমছ, ডিভি ডিস, ইণ্টাৰনেট ব্যৱস্থা যেনে ৱর্ল্ড ৱাইড ৱেব, বুলেটিং ৱর্চিং আৰু ই-মেইল ইত্যাদি।

আচৰণৰ ওপৰত ভিত্তি কৰি গঁসংযোগক তিনিটা ভাগত ভাগ কৰিব পাৰি।

- মাইক্র আৰু মেক্র (ব্যষ্টিবাদী আৰু সমষ্টিবাদী) গণ সংযোগ
- পুঁজিবাদী আৰু সমাজবাদী গণসংযোগ
- ইছলামিক ধাৰণা আৰু নন-ইছলামিক ধাৰণাবাহিনী গণসংযোগ। তলত চমুকৈ তিনিওটাৰ আভাস দিয়া হ'ল—

- **মাইক্র আৰু মেক্র গণসংযোগ ঃ** যেতিয়া কোনো এজন ব্যক্তিয়ে তেওঁৰ কার্যালয়ৰ শীর্ষ বিষয়াস সহকর্মী বা আন কোনো লোকৰ সৈতে বার্তালাপ বা তথ্যৰ বিনিময় কৰে, তাক মাইক্র বা ব্যষ্টিবাদী গণসংযোগ বুলি কোৱা হয়। এই ধৰণৰ যোগাযোগ এক নির্দিষ্ট পৰিমাণৰ লোক বা সংস্কাৰ মাজত সীমাবদ্ধ থাকে। আনহাতে যেতিয়া যোগাযোগ বহল পৰিসৰলৈ গতি কৰে বা সাধাৰণ লোকক সামৰি লয়। তেতিয়া ইয়াক সমষ্টিবাদী বা মেক্র গণসংযোগ বুলি কোৱা হয়। এনে যোগাযোগত বহু লোকৰ সমাগম ঘটে অথবা বৃহৎ লোকক সামৰি লোৱা হয়। ইয়াক সার্বজনীন যোগাযোগ বুলিও কোৱা হয় যেনে ৰেডিঅ' অথবা টিভিত প্রচাৰিত যিকোনো বিজ্ঞাপন।

- **পুঁজিবাদী আৰু সমাজবাদী গণসংযোগ ঃ** এখন পুঁজিবাদী সমাজত বজাৰখনে অর্থনীতিত বিশেষ ভূমিকা পালন কৰে। মানুহৰ বাৰক স্বাধীনতা থাকে যাৰ বাবে সংবাদ বা তথ্য মুক্তভাৱে আদান-প্রদান হ'ব পাৰে। সংবাদ গোষ্ঠীৰ বিপক্ষে কোনো প্রতিবন্ধকতা নাথাকে, যাৰ বাবে

স্বতন্ত্রভাৱে নিজৰ কাম কৰি যাব পাৰে। কিন্তু এখন সমাজবাদী অর্থনীতিত বিভিন্ন সীমাবদ্ধতা আৰু নিয়ম-নীতিৰ মাজেৰে কাম কৰিব লগা হয়। দেশ বা চৰকাৰে ইয়াক নিয়ন্ত্রণ কৰে আৰু কেতিয়াবা কিছুমান বিষয়ত হস্তক্ষেপ কৰে। মানুহৰ কণ্ঠ সীমিত আৰু নির্দিষ্ট আকাৰৰ, গতিকে গণসংযোগ সূচলভাৱে সহজে আগ নাবাঢ়ে।

- **ইছলামিক ধাৰণা আৰু নন ইছলামিক ধাৰণাবাহিনী গণসংযোগ ঃ** ইছলাম বসতিপ্রধান দেশসমূহত যিসমূহ সামগ্রী নিষিদ্ধ তেনে দেশত সেই দ্রব্যৰ বিজ্ঞাপন বা ব্যৱসায় কৰিব নোৱাৰিব। উদাহৰণস্বৰূপে সু�ৰাৰ কথা ক'ব পাৰি। সুৰা ইছলাম বিৰুদ্ধ বুলি গণ্য কৰা হয়, গতিকে ইয়াৰ বিজ্ঞাপন বা প্রচাৰত বাধা আৰোপ কৰা হয়। কিন্তু আন দেশসমূহত সুৰাৰ কোনো নিষেধাজ্ঞা নাই আৰু ইয়াক বহলভাৱে উৎপাদন কৰা হয়, বিক্রী আৰু প্রচাৰ কৰা হয়। গণসংযোগ অধ্যয়নে এটা সংস্থাক লাভান্বিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ নিউ মিডিয়াৰ দুটা প্রধান কাম কি কি?

.....

প্রশ্ন নং ৫ ঃ আচৰণ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি গণসংযোগৰ তিনিটা প্রধান ভাগ কি কি?

.....

প্রশ্ন নং ৬ ঃ বাতৰি কাকতৰ এটা কার্য উল্লেখ কৰক।

.....

২.৫ গণসংযোগৰ কার্যপ্রণালী

তলত গণসংযোগৰ কার্যৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হ'ল—

১) নিৰীক্ষণ ঃ ছার্ভিলেঞ্চ বা নিৰীক্ষণে জনসাধাৰণৰ তথ্য বা সংবাদৰ ধাৰাবাহিকতাৰ কথা প্রকাশ কৰে, যিসমূহ কেৱল দেশেই নহয়, সমগ্র বিশ্বৰ হ'ব পাৰে। এয়া হৈছে সর্বোৎকৃষ্ট কার্য গণসংযোগৰ। যিয়ে সংবাদ ক্ষেত্রৰ সংবাদ আৰু তথ্যৰ ভূমিকা নির্ণয় কৰে। তেওঁলোকে ৰক্ষক বা আগ্রদূত ৰূপে কাম কৰে। অনাতাঁৰ সেৱা, টিভি নেটৱর্ক আৰু বাতৰি কাকতৰ সমগ্র বিশ্বৰ সংবাদসেৰীৰূপে সেৱা আগবঢ়ায়। এই সকলোৱে প্রত্যেক বাতৰিসমূহ একেলগ কৰে যাতে আমি সহজে লাভ কৰিব পাৰো। নিৰীক্ষণৰ কার্যসমূহ প্রধানতঃ দুটা ভাগত বিভক্ত কৰিব পাৰি—

ক) সতর্কতা নিৰীক্ষণ ঃ ইয়াত বতৰৰ আমুল পৰিবর্তন, প্রবল বৃষ্টিপাত, ঘূর্ণীবতাহ, যুদ্ধৰ আগতীয়া বতৰা দিয়ে।

খ) বস্তুগত নিৰীক্ষণ ঃ এই নিৰীক্ষণে দৈনন্দিন জীৱনৰ বাবে দৰকাৰী তথ্যসমূহ যোগান ধৰে, সেয়া ষ্টক মার্কেট, নতুন সামগ্রী, খোৱা বস্তু হ'ব পাৰে। এখন টিভি ধাৰাবাহিকে কেশসজ্জা

বা নতুন পোছাকৰ বা মহিলাৰ জীৱনলৈ পৰিৱৰ্তন আনিব পাৰে।

গণসংযোগে মানুহৰ সামাজিক জীৱনত বিশেষভাৱে প্ৰভাৱ পেলায়, এজন ব্যক্তি বা বহু লোকৰ বিষয়ে সংবাদ পৰিৱেশন কৰি সামাজিক ধাৰণটো সলনি কৰিব পাৰে। নিৰীক্ষণে সামাজিক অৱক্ষয়ৰ দিশটো উন্মোচিত কৰে। যদি বাতৰি বা তথ্য অনুমতিপ্ৰাপ্ত নহয়, তেনে সংবাদে সমাজৰ ক্ষতি কৰিব পাৰে। উদাহৰণস্বৰূপে ব্যৱসায়িক সংঘাতৰ বাবে কোনো কোনো অঞ্চলত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হ'ব পাৰে। বিভিন্ন সময়ত বানপানী, ঘূৰ্ণীবতাহ বা প্ৰৱল বৃষ্টিপাতৰ বাবে মানুহ সতৰ্ক হৈ পৰে। এনে বাতৰিয়ে মানুহক অধিক ভীতিগ্ৰস্তহে কৰি তুলিব পাৰে।

২) ব্যাখ্যা ঃ ইণ্টাৰপ্ৰিটেচন বা ব্যাখ্যাৰ অৰ্থ কোনো এটা বিষয় সূক্ষ্মভাৱে নিৰীক্ষণ কৰা। যিকোনো অনাকাংক্ষিত পৰিস্থিতি ৰোধ কৰে যোগাযোগে। আজি কালি গণসংযোগে নিজৰ দায়িত্বৰ মূল্যায়ন ৰূ পাঠকৰ বাবে ঘটনাটো ব্যাখ্যা কৰে। তেওঁলোকে মানুহক আকৰ্ষিত কৰিব পৰা ৰূ গুৰুত্বপূৰ্ণ ঘটনাসমূহ বাছনি কৰে আৰু তেওঁলোকে কেৱল বাতৰি যোগানতে সীমাবদ্ধ নাথাকে, বাতৰি আঁৰৰ সবিশেষ খবৰো যোগান ধৰে পাঠকক। এনে কাৰ্যই ভীৰৰ মাজত থকা সকলোৰে মাজত প্ৰত্যেকজনকে আচল ঘটনাটো বুজায় দিয়ে, যাৰ ফলত বিষয়টোৰ ওপৰত মূল্যায়ন বা নিৰীক্ষণ কৰিব পাৰে। ব্যাখ্যাই যদিহে আঁতি গুৰি মাৰি বিষয়টো দাঙি ধৰিব নোৱাৰে তেন্তে প্ৰকৃত কাৰণটেনা নজনাকৈয়ে বহু মানুহ ৰৈ যায়।

৩) ট্ৰান্সমিছন বা হস্তান্তৰণৰ গুৰুত্ব ঃ গণ সংযোগত দ্য ট্ৰেন্সমিছন অব ভেল্যুছ হৈছে সূক্ষ্ম কিন্তু গুৰুত্বপূৰ্ণ কাৰ্য। ইয়াক সামাজিকৰণ কাৰ্য বা ছ'চিয়েলাইজেচন ফাংচন বুলিও কোৱা হয়। আমাৰ সমাজ নিৰীক্ষণ, প্ৰত্যক্ষ কৰি অথবা অধ্যয়নৰ জৰিয়তে গঢ়ি উঠে, যাক গুৰুত্ব দি মানুহে শিকিব পাৰে। বৰ্তমানৰ সংবাদ মানুহে অনুসৰণ কৰে। অৰ্থাৎ মানুহক শিক্ষিত কৰাৰ লগতে কাৰ্যতঃ প্ৰয়োগ আৰু প্ৰত্যাশা পূৰণৰ সহায় কৰে। অন্যহাতে মূল্যায়নৰ প্ৰকাৰ আৰু সাংস্কৃতিক তথ্যই এটা সংবাদ সংস্থাক অনন্য মাত্ৰা প্ৰদান কৰে।

৪) সম্পৰ্ক বা যোগাযোগ ঃ গণসংযোগ এখন সমাজৰ বিভিন্ন উপাদানৰ সৈতে আন্তঃসংযোগীয় চেনেলৰ সৈতে সংপৃক্ত হৈ থাকে। উদাহৰণস্বৰূপে বাতৰি কাকতে জনমত সমীক্ষা প্ৰকাশ কৰে। প্ৰাপ্ত তথ্য মতে সংঘটিত ঘটনাৰ সৈতে নিজকে বিলীন কৰে অথবা অনুভৱ কৰিবলৈ যত্ন কৰে। গণসংযোগৰ মাধ্যমেৰে বিজ্ঞাপন প্ৰকাশে ক্ৰেতা-বিক্ৰেতা আৰু প্ৰস্তুতকৰ্তাৰ মাজত যোগসূচত্ৰ স্থাপন কৰে।

৫) বিনোদন ঃ বিনোদন হৈছে প্ৰতিটো সংবাদ গোষ্ঠী বা ক্ষেত্ৰৰ সুস্পষ্ট কাৰ্য. পূৰ্বৰ বিনোদনৰ কাৰ্যলৈ লক্ষ্য কৰো তেন্তে আমি দেখো যে আন্তঃব্যক্তিৰ যোগাযোগৰ মাধ্যমেৰে পূৰণ কৰা হৈছিল। বিনোদনৰ গুৰুত্ব দিনকদিনে বৃদ্ধি পাইছে, কিয়নো মানুহে আজৰি সময়ত বিনোদনৰ মাজেৰে পাৰ হয় সংবাদ ক্ষেত্ৰৰ বিনোদনৰ আটাইতকৈ সুবিধাজনক দিশটো হ'ল তুলনামূলকভাৱে খু কম খৰচত বৃহৎ সংখ্যক লোকে বিনোদন লাভ কৰে। যাৰ বাবে মানুহে সহজে অৱসৰৰ সময় উপভোগ্য কৰি তুলিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ দুই প্রকাৰৰ নিৰীক্ষণ কি কি?

.....

প্রশ্ন নং ৮ ঃ গণসংযোগে কেনেকৈ উৎপাদক আৰু বিক্রেতাৰ মাজৰ সংযোগকাৰীৰ ভূমিকা লয়?

.....



২.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- গণসংযোগ হৈছে এনে এক প্রক্রিয়া যাৰ দ্বাৰা এজন ব্যক্তি বা কেইবাজনেও লগ হৈ এটা বার্তা গঠন কৰে আৰু ইয়াক যিকোনো প্রকাৰৰ মাধ্যমৰ পৰা বৃহত্, নামবিহীন বিচিত্র শ্রোতাৰ কাষলৈ লৈ যায়। গণসংযোগৰ গুৰুত্ব পৃথক সংস্কৃতি, আচৰণ আৰু বিচাৰধাৰাৰ ওপৰত নির্ভৰ কৰে।
- গণসংযোগৰ বিভিন্ন ভাগ আমি দেখা পাওঁ, যেনে-ছপা মাধ্যম, বৈদ্যুতিন আৰু নিউ মিডিয়া ইত্যাদি।
- আচৰণৰ ওপৰত ভিত্তি কৰি গণসংযোগক বিভিন্ন গোটত ভাগ কৰিব পাৰি-ব্যষ্টিবাদী আৰু সমষ্টিবাদী গণসংযোগ, পুঁজিপতি আৰু সমাজবাদী গণসংযোগ, ইছলিমাকি বিচাৰধাৰা আৰু ইছলামৰ ধাৰাবিহীন গণসংযোগ।
- গণসংযোগ নিৰীক্ষণ, ব্যাখ্যা, পৰিবহণৰ গুৰুত্ব, সংযোগ আৰু বিনোদন ইত্যাদি কাৰকৰ ওপৰত নির্ভৰ কৰে।



২.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

1. Aggarwal, V.B. & V.S. Gupta. (2001) : Handbook of Journaliesm and Mass Coummunication; concept publishing company.
2. Muhammadali, N. Introduction to Mass communication; University of Calicut, School of Distance Education.



২.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ গণসংযোগ হৈছে এনে এক প্রক্রিয়া যাৰ দ্বাৰা এজন ব্যক্তি বা কেইবাজনেও লগ হৈ এটা বার্তা গঠন কৰে আৰু ইয়াক যিকোনো প্রকাৰৰ মাধ্যমৰ পৰা বৃহত্, নামবিহীন বিচিত্র শ্রোতাৰ কাষলৈ লৈ যায়।

২নং প্রশ্নৰ উত্তৰ ঃ গণসংযোগৰ আটাইতকৈ প্রয়োজনীয় উপাদান হৈছে সংবাদদাতা, সংযোগ পদ্ধতি আৰু প্রতিক্রিয়া।

৩নং প্রশ্নৰ উত্তৰ ঃ গণসংযোগ হৈছে বাচনিযুক্ত যোগাযোগ। বাচনি বা ৰূপান্তৰৰ সমগ্র প্রক্রিয়াটোক কোৱা হয় গেট কীপিং। উদাহৰণ স্বৰূপে এটা বাতৰি প্রতিবেদনৰ কথা ক'ব পাৰি, য'ত সংবাদ বাচনি কৰিবৰ বাবে সাংবাদিক, উপ-সম্পাদক, বার্তা সম্পাদককে ধৰি বিভিন্ন শ্রেণীৰ লোক জড়িত হৈ থাকে।

৪নং প্রশ্নৰ উত্তৰ ঃ গণমাধ্যমৰ কার্যক দুটা প্রধান ভাগত ভগাব পাৰি— তথ্য আৰু সেৱাৰ মাধ্যমেৰে মানুহক সংযুক্ত কৰা নতুন সেৱা, সম্প্রদায়, মাধ্যম আৰু সামগ্রীৰ যোগেদি বার্তা বা তথ্য আৰু সেৱা সৃষ্টি কৰা।

৫নং প্রশ্নৰ উত্তৰ ঃ ব্যষ্টিবাদী আৰু সমষ্টিবাদী যোগাযোগ, পুঁজিবাদী আৰু সমাজবাদী গণসংযোগ, ইছলামিক ভাবধাৰা আৰু অ-মুছলমান ভাবধাৰা।

৬নং প্রশ্নৰ উত্তৰ ঃ বাতৰি কাকত হৈছে সাধাৰণ লোকে সংবাদ লাভৰ প্রধান গণমাধ্যম। যিকোনো এখন সমাজত পৰম্পৰাগত বাতৰি কাকত সাংস্কৃতিক আৰু সমাজ ব্যৱস্থাৰ এক অভিন্ন অংগ। গণতান্ত্রিক সমাজত সংবাদ মাধ্যমক গণতন্ত্রৰ চতুর্থ স্তম্ভ বুলি গণ্য কৰা হয়।

৭নং প্রশ্নৰ উত্তৰ ঃ দুই প্রকাৰৰ নীৰিক্ষণ হৈছে— সতর্কতামূলক নিৰীক্ষণে বতৰৰ বিশেষ পৰিৱর্তন, প্রবল বৃষ্টিপাত, ঘূর্ণীবতাহ, যুদ্ধৰ বতৰা সামৰি লয়। যান্ত্রিক বা বস্তুগত নিৰীক্ষণে ষ্টক মার্কেট, খাদ্য সামগ্রী, নতুন সামগ্রীৰ বিষয় সামৰি লয়।

৮নং প্রশ্নৰ উত্তৰ ঃ গণমাধ্যমক বিভিন্ন উপকৰণৰ সৈতে সংযুক্ত কৰিব পাৰি, যিবোৰ পোনপটীয়াকৈ পাৰস্পৰিকভাৱে সংযুক্ত নহয়। গণমাধ্যমৰ মাজেৰে বিজ্ঞাপন প্রচাৰৰ বাবে ক্রেতা আৰু বিক্রেতাৰ সামঞ্জস্য থকা দৰকাৰ।



২.৯ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন ঃ (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ উদাহৰণসহ নিউ মিডিয়াৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ ঃ ভাৰতৰ প্ৰথমখন বাতৰিকাকতৰ নাম উল্লেখ কৰক।

দীঘল প্ৰশ্ন ঃ (৩০০-৫০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ গণমাধ্যমৰ সামাজিকীকৰণ কাৰ্যটো কি?

প্ৰশ্ন ২ ঃ সমাজ উত্তৰণত গণসংযোগৰ ভূমিকা ব্যাখ্যা কৰক।

*** ***** ***